**অসম বিধান সভা**

**লিখিত প্ৰশ্ন নং-৫২৯**

**উত্তৰ দিয়াৰ তাৰিখ-২৪/০৭/২০২৬**

বিষয়ঃ আশা কৰ্মীসকলৰ দাবী সন্দৰ্ভত মোঃ নুৰুল হুদা : মাননীয় বিধায়ক

মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) ৰাজ্যত বৰ্তমান মুঠ কিমানজন আশা (ASHA) কৰ্মী কৰ্মৰত হৈ আছে? জিলা ভিত্তিক তথ্য দিব।

খ) আশা কৰ্মীসকলক দিয়া মানদণ্ডভিত্তিক প্ৰণোদনা (Incentive) সময়মতে প্ৰদান কৰা হয়নে? যদি নহয়, তেন্তে বিগত তিনি বছৰত কিমান টকাৰ প্ৰণোদনা বাকী আছে?

গ) আশা কৰ্মীসকলৰ দীৰ্ঘদিনীয়া দাবীসমূহ যেনে-নিৰ্দিষ্ট মাহিলী ভাট্টা বৃদ্ধি, সামাজিক সুৰক্ষা, স্বাস্থ্য বীমা, অৱসৰকালীন সুবিধা, মাতৃত্বকালীন সুবিধা আৰু চাকৰিৰ সুৰক্ষা প্ৰদানৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ঘ) আশা কৰ্মীসকলৰ প্ৰশিক্ষণ, কৰ্মক্ষেত্ৰত সুৰক্ষা সামগ্ৰী, ভ্ৰমণ ভাট্টা আৰু মোবাইল/ডিজিটেল সুবিধা উন্নয়নৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

ঙ) বিগত তিনি বছৰত আশা কৰ্মীসকলৰ দাবী সন্দৰ্ভত চৰকাৰৰ সৈতে অনুষ্ঠিত বৈঠকসমূহৰ সিদ্ধান্তসমূহ কি আৰু সেই সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ বৰ্তমান অগ্ৰগতি কি?

**-উত্তৰ-**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰী অশোক সিংহল দেৱে উত্তৰ দিবঃ-

ক) বৰ্তমান অসমত মুঠ ৩৩,০৫৭ গৰাকী আশাকৰ্মী কৰ্মৰত হৈ আছে। বিতং তথ্য **Annexure-A**ত সংলগ্ন কৰা হ'ল।

খ) আশাকৰ্মী সকলক তেওঁলোকৰ দাবী অনুযায়ী সময়মতে ভাট্টা (ইনচেন্টিভ) পৰিশোধ কৰা হয়। বৰ্তমানলৈকে আশাকৰ্মী সকলৰ প্ৰাপ্য ধন সকলো পৰিশোধ কৰা হৈছে।

গ) ৰাজ্যিক বাজেটৰ অধীনত আশাকৰ্মী সকলৰ মাহিলী ভাট্টা ২০২৫ চনৰ ১ অক্টোবৰৰ পৰা ১,০০০ টকাৰ পৰা ১,৫০০ টকালৈ সংশোধন কৰি বৃদ্ধি কৰা হৈছে।

আশাকৰ্মী সকলক নিম্নলিখিত ভাট্টাসমূহ প্ৰদান কৰাহয়ঃ

কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা এগৰাকী আশাই প্ৰতিমাহে ২,০০০ টকা আৰু CPHC ৰ অধীনত সেৱা আগবঢ়োৱাৰ বাবে ৫০০ টকাৰ ভাট্টা লাভ কৰে। ইয়াৰোপৰি কাৰ্য প্ৰদৰ্শনৰ ভিত্তিতো তেওঁলোকক মাহিলী ভাট্টা প্ৰদান কৰা হয়।

ৰাজ্য চৰকাৰৰ তৰফৰ পৰাও এগৰাকী আশাক প্ৰতিমাহে ১,৫০০ টকাৰ ভাট্টা প্ৰদানকৰা হয়। লগতে এগৰাকী আশাকৰ্মীয়ে বিত্তীয় বৰ্ষত ২৫,০০০ টকা পৰ্যন্ত চিকিৎসা পৰিশোধ ধন লাভ কৰে। ইয়াৰোপৰি এগৰাকী আশাৰ মৃত্যুৰ পিছত তেখেতৰ নিকটাত্মীয়ই ১,০০,০০০ টকাও লাভ কৰে।

আনহাতে ন্যূনতম ১০ বছৰ স্বেচ্ছামূলক সেৱা আগবঢ়োৱা আশাকৰ্মী সকলে, তেওঁলোকৰ ৬০ বছৰ বয়স সম্পূৰ্ণ হোৱাৰ পিছত সেৱাৰ কাৰ্যকাল সমাপ্তিৰ সময়ত ২ (দুই) লাখ টকাৰ এককালীন মাননী লাভ কৰে। আশাকৰ্মী সকলক PMJAY আঁচনিৰ অধীনতো অন্তৰ্ভুক্ত কৰা হৈছে।

ঘ) আশাকৰ্মী সকল স্বেচ্ছাসেৱী কৰ্মী। তেওঁলোকে কেৱল কাৰ্য প্ৰদৰ্শনৰ ভিত্তিত মাননী লাভ কৰে। আশাকৰ্মী সকলক বিভিন্ন স্বাস্থ্য প্ৰচাৰমূলক কাৰ্যকলাপৰ বিষয়ে নিয়মীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। RoPত অনুমোদন অনুসৰি তেওঁলোকক যাতায়াত ভাট্টাও প্ৰদান কৰা হয়।

আশাকৰ্মী সকলক আশাবেগ, আশা পোছাক আৰু ডিজিটেল সুবিধা উন্নত কৰাৰ বাবে মোবাইল ফোনও প্ৰদান কৰা হৈছে।

ঙ) অসম চৰকাৰে আশাকৰ্মী সকলৰ নিয়মীয়া ভাট্টা ১,০০০ টকাৰ পৰা ১,৫০০লৈ বৃদ্ধি কৰিছে। আশাকৰ্মী সকলক PMJAY আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে।

**বিঃদ্ৰঃ- উপৰোক্ত উত্তৰ সমূহ Annexure ৰ সৈতে অসম বিধান সভাৰ ৱেৱচাইটত আপলোড কৰা হৈছে।**

**Annexure -A**

| Sl | District | Total In-Position ASHA |
|---|---|---|
| 1 | Bajali | 338 |
| 2 | Baksa | 582 |
| 3 | Barpeta | 1256 |
| 4 | Biswanath | 786 |
| 5 | Bongaigaon | 744 |
| 6 | Cachar | 1826 |
| 7 | Charaideo | 485 |
| 8 | Chirang | 742 |
| 9 | Darrang | 1018 |
| 10 | Dhemaji | 777 |
| 11 | Dhubri | 1781 |
| 12 | Dibrugarh | 1305 |
| 13 | Dima Hasao | 254 |
| 14 | Goalpara | 1068 |
| 15 | Golaghat | 1065 |
| 16 | Hailakandi | 729 |
| 17 | Hojai | 772 |
| 18 | Jorhat | 943 |
| 19 | Kamrup Metro | 680 |
| 20 | Kamrup Rural | 1768 |
| 21 | Karbi Anglong | 744 |
| 22 | Karimganj | 1185 |
| 23 | Kokrajhar | 1382 |
| 24 | Lakhimpur | 1277 |
| 25 | Majuli | 309 |
| 26 | Morigaon | 1054 |
| 27 | Nagaon | 1906 |
| 28 | Nalbari | 784 |
| 29 | Sivasagar | 734 |
| 30 | Sonitpur | 1117 |
| 31 | South Salmara | 397 |
| 32 | Tamulpur | 391 |
| 33 | Tinsukia | 1399 |
| 34 | Udalguri | 1062 |
| 35 | West Karbi Anglong | 397 |
| **Total:** | | **33057** |